# সম্পাদকীয়

ধ্ৰুপদী সংগীত চৰ্চা কৰাসকল আৰু বিনোদন যোগোৱা সংগীতত জড়িতসকলৰ মাজৰ এটা সমস্যাৰ বিষয়ে লিখা সৰু আৰু সৰল লেখা এটা পাইছিলোঁ। তাত লেখকে সুন্দৰকৈ প্ৰকাশ কৰিছে যে জনপ্ৰিয় ধাৰা বা বাণিজ্যিক সংগীত বুলি যিসমূহক ক'ব পাৰি, সেই ধাৰাটোত এবাৰ সোমাই পৰিলে ধ্ৰুপদী সংগীতৰ গভীৰতালৈ যোৱাটো প্ৰায় অসম্ভৱ হৈ পৰে। এসময়ত ধ্ৰুপদী সংগীতৰ পাৰ্গতজনেও বাণিজ্যিক ধাৰাটোত প্ৰৱেশ কৰিলে পুনৰ ধ্ৰুপদীলৈ উভতি যাবলৈ সক্ষম নহয়। অতি নগণ্য সংখ্যক আৰু বহু যুগৰ মূৰত জন্ম পোৱা বিৰল প্ৰতিভাশালী কিছুমানেহে এই দুয়ো ক্ষেত্ৰতে অবাধে বিচৰণ কৰিব পাৰে।

সৃষ্টিশীলতা সংক্ৰামক বুলি এষাৰ কথা আছে। এই সম্পৰ্কতো গৱেষণা হৈছে। সংক্ৰামক বোলাৰ অৰ্থ হৈছে ই এজনৰ পৰা আন জনলৈ ক্ৰিয়া কৰে। আৰু নিঃসন্দেহে, ই বাৰে বাৰে নিজতে ক্ৰিয়া কৰিব পাৰে। যেতিয়া এক ধৰণৰ সৃষ্টিশীল কামত লগা যায়, তাৰ পৰা তৎক্ষণাৎ মুক্ত হোৱাটো কঠিন। ই স্বয়ং বাৰে বাৰে একে পৰ্যায়ৰে সৃষ্টিৰ উন্মেষ ঘটাই সৃষ্টিকৰ্তাজনক ব্যস্ত ৰাখিব পাৰে।

গণিত-বিজ্ঞানৰ বহুতো ছাত্ৰ-ছাত্ৰীয়ে (বা আন বিষয়ৰো) গৱেষণাৰ ডিগ্ৰীত নিম্ন মানৰ কাম কৰি আছে। আৰু তাৰ পিছত তেওঁলোকে কোনো কালেই ভাল কাম কৰিব নোৱাৰে। তেওঁলোকৰো কিন্তু তীক্ষ্ণতা নথকা নহয়, লগতে কষ্ট কৰাৰ ধৈৰ্য্যও আছে, আকাংক্ষাও আছে। তেওঁলোকৰ বহুতে সৰ্বভাৰতীয় কঠিন পৰীক্ষাও উত্তীৰ্ণ হোৱা বা শ্ৰেণীত বৃহৎ নম্বৰো পোৱা। ইমানৰ পিছতো এনেকুৱা হোৱাৰ কাৰণ বহুত। কিন্তু একেবাৰেই আলোচনা নোহোৱা এটা কাৰণ ইয়াত তুলি ধৰিব বিচাৰিছোঁ। সেইটো হ'ল, ওপৰত কোৱা দৰে সৃষ্টিশীলতাৰ এটা স্তৰৰ পৰা তেওঁলোক কেতিয়াও মুক্ত হ'ব নোৱাৰে। সৃষ্টিশীলতাৰ যিটো স্তৰত তেওঁলোকে গঠনমূলক কেইবাবছৰ কটাই দিলে, সেইটোৱে পুনঃ পুনঃ একে নিম্ন স্তৰৰ সৃষ্টিৰে পিছতো ঘেৰিবলৈ ধৰে।

সংগীতৰ উদাহৰণটো চূড়ান্ত উত্তৰ-দক্ষিণ কথা। মধ্যম পৰ্যায়ত কেনেকৈ এইবোৰৰ পৰা মুক্ত হ'ব পাৰি? কেনেকৈ নিম্ন সৃষ্টিশীলতাৰ পৰা উন্নীত হ'ব পাৰি? গণিতৰ বাবে এই ক্ষেত্ৰত কামত আহিব পৰা এটা উত্তৰ দিছে জাৰ্মান গণিতজ্ঞ বেৰ্ণ্ড ষ্টাৰ্মফেলছে (Bernd Sturmfels)। বীজগণিতীয় জ্যামিতি, বীজগণিতীয় পৰিসংখ্যা, বিন্যাস তত্ত্ব, ৰৈখিক বীজগণিত, গণনামূলক জীৱবিজ্ঞান আদি কেইবাটাও সুকীয়া সুকীয়া ক্ষেত্ৰত তেওঁ অত্যন্ত গুৰুত্বপূৰ্ণ কাম কৰিছে। তেওঁ কেইবাখনো কিতাপৰ লেখক আৰু সহ-লেখক, আৰু সেই কিতাপসমূহো গণিতৰ বহুকেইটা সুকীয়া ক্ষেত্ৰৰ। ২০২২ চনত অনুষ্ঠিত হ'বলগীয়া গণিতজ্ঞসকলৰ আন্তঃৰাষ্ট্ৰীয় সন্মিলনলৈ (ICM) নিমন্ত্ৰিত বিশেষ বক্তাকেইজনৰ ভিতৰত তেৰোঁ এজন।

গৱেষণাৰ বাবে ভাল সমস্যা বিচাৰি উলিওৱাটো যুৱ গণিতজ্ঞসকলৰ বাবে প্ৰত্যাহ্বানজনক। কাম কৰিবলৈ গৱেষণা সমস্যাবোৰ (research problems) কেনেদৰে বাছনি কৰিব পাৰি? ইয়াৰ বাবে পৰিবদ্ধ সময়ত সমাপন কৰিব পৰা কিবা এলগৰিথ্‌ম (polynomial-time algorithm) আছে নে? ইয়াৰ উত্তৰত তেওঁ কয় যে, তেওঁ সেইটো কেতিয়াও প্ৰত্যাহ্বানজনক পোৱা নাছিল। "বহুতো ভাল ভাল সমস্যাই ভৰি আছে। আপুনি কেৱল চকু খোলক। আলোচনা কৰক। পূৰ্বকৃত ৰচনাৰাজি (literature) পঢ়ক। সমাধান কৰি হোৱা প্ৰতিটো সমস্যাই তিনিটা নতুন সমস্যালৈ লৈ যায়। সমাধান নিৰ্ণয় কৰাটো মোৰ বাবে প্ৰত্যাহ্বানজনক শাখাটো। সৰ্বোপৰি, ভাল সমস্যাবোৰ প্ৰায়ে কঠিন হয়। পৰামৰ্শ হিচাপে মই দিব পৰা এটা এলগৰিথ্‌ম হ'ল, টোকা লিখক। যেতিয়াই আপুনি ধাৰণা এটাৰ সন্মুখীন হয় বা ধাৰণা এটা মনত অংকুৰিত হয়, যিটোক প্ৰকল্প এটালৈ আগবঢ়াই লৈ যাব পৰাৰ সম্ভাৱনা থাকে, তেতিয়া অতি স্পষ্টভাৱে লিখি পেলাওক যে ই কিহৰ বিষয়ে হয়। কম্পিউটাৰত পৰীক্ষা কৰা আৰম্ভ কৰক আৰু প্ৰাথমিক ফলাফলবোৰৰ বিষয়ে টুকি ৰাখক। আৰু আধা-পকা ধাৰণাখিনি সহকৰ্মীৰ সৈতে আলোচনা কৰিবলৈ শংকিত নহ'ব।"

— পংকজ জ্যোতি মহন্ত